Regional News Unit
AKASHVANI, Guwahati
0000000000

Date : 20-08-2024
Time : 1845 Hrs

*Assamese Evening Bulletin*
*HEADLINES*

\- - - - - - - - - - - - - - - - - - - - - -

১। অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসক বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰদান। কাইলৈ মনোনয়ন দাখিলৰ অন্তিম দিন।

২। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে ফটোযুক্ত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ।

৩। গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থালৈ হস্তান্তৰ কৰাৰ কথা আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙৰ ঘোষণা।

আৰু

৪। নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ কেইবাটাও প্ৰান্তত কৃত্ৰিম বান। অহা দুদিনলৈ উত্তৰ-পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা।

ooooo

অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসক বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। কাইলৈ ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন। এইপৰ্যন্ত বিৰোধী দলে ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰা নাই। উল্লেখযোগ্য যে আজি এই সন্দৰ্ভত আলোচনাৰ বাবে নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ পাছত ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে আজি ৰাজ্যসভাৰ দুয়োখন আসনৰ বাবে প্ৰাৰ্থী দুগৰাকীৰ নাম চূড়ান্ত কৰাৰ বিষয়ে ঘোষণা কৰে। উল্লেখযোগ্য যে অসম ৰাজ্যিক বিজেপিয়ে এই আসন দুখনৰ বাবে প্ৰেৰণ কৰা ১০ জনীয়া তালিকা সন্দৰ্ভত আজি বিতংভাৱে আলোচনা অনুষ্ঠিত হয়।

ooooo

অসম বিধানসভাৰ ৫টা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে আজি  চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ছিদলী, ছামগুৰি, বঙাইগাঁও, বিহালী আৰু ধলাই সমষ্টিৰ বাবে ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। প্ৰকাশিত তালিকা অনুসৰি ২০ আগষ্টলৈ ছিদলী সমষ্টিত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ লাখ ১৬ হাজাৰ ৯৯০ গৰাকী। ইয়াৰে পুৰুষ ভোটদাতা এক লাখ ৭ হাজাৰ ৯৯৭ গৰাকী। আনহাতে মহিলা ভোটদাতাৰ সংখ্যা এক লাখ ৮৯ হাজাৰ ৮৯ গৰাকী। সমষ্টিটোত ৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ভোটাৰ তালিকা অনুসৰি সমষ্টিটোত মুঠ ভোটকেন্দ্ৰ ২৭৩টা। আনহাতে ছামগুৰি সমষ্টিত এক লাখ ৮০ হাজাৰ ৬৬৯ গৰাকী ভোটদাতা আছে। ইয়াৰে পুৰুষ ভোটদাতা হৈছে ৯১ হাজাৰ ৬২৭ গৰাকী। মহিলা ভোটদাতাৰ সংখ্যা হৈছে ৮৯ হাজাৰ ৩৬ গৰাকী। সমষ্টিটোত ৬ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ইয়াৰ লগতে সমষ্টিটোত ১৯৭টা ভোটকেন্দ্ৰ নিৰ্ধাৰণ কৰা হৈছে।

বঙাইগাঁও সমষ্টিত এক লাখ ৮২ হাজাৰ ৩৫৪ গৰাকী ভোটদাতা আছে। ইয়াৰে পুৰুষ ভোটদাতা হৈছে ৮৯ হাজাৰ ৫১০ গৰাকী। মহিলা ভোটদাতাৰ সংখ্যা হৈছে ৯২ হাজাৰ ৮৪২ গৰাকী। সমষ্টিটোত দুগৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ইয়াৰ লগতে সমষ্টিটোত বুথপৰ্যায়ৰ বিষয়া ২৪৬ গৰাকী আছে।

০০০০০

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা, এন আই এলৈ হস্তান্তৰ কৰাৰ কথা ঘোষণা কৰিছে। আজি কাহিলিপাৰাত আৰক্ষীৰ প্ৰশিক্ষণ সমাপ্তিৰ কুচকাৱাজত অংশ লোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত শ্ৰীসিঙে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বোমা উদ্ধাৰৰ ঘটনা সন্দৰ্ভত মুঠ ১০টা গোচৰ ৰুজু কৰা হৈছে। ইয়াৰে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থালৈ হস্তান্তৰৰ বাবে অসম চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। সঞ্চালকপ্ৰধানগৰাকীক কয় যে, শিৱসাগৰত এই ঘটনাৰ তদন্ত যথেষ্ট আগবাঢ়িছে আৰু ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত ৪ জন লোকক আটক কৰা হৈছে। ইপিনে কালি গুৱাহাটীৰ এটা শ্বপিং ম'লত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীসিঙে কয় যে, গুৱাহাটীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ শ্বপিং ম'ল আৰু হাস্পতাললৈ বিগত ছমাহ ধৰি ইমেইলৰ জৰিয়তে বোমা সংস্থাপনৰ ভুৱা ভাবুকি আহি আছে। কোনো দুষ্টচক্ৰই এনে কাম সংঘটিত কৰি থকা বুলি প্ৰকাশ কৰি তেওঁ কয় যে, এই সন্দৰ্ভত কেন্দ্ৰীয় সংস্থাই সংশ্লিষ্ট ৰাজ্যসমূহৰ আৰক্ষীৰ সহযোগত তদন্ত অব্যাহত ৰাখিছে। সঞ্চালকপ্ৰধানগৰাকীয়ে লগতে কয় যে, অসমত সম্প্ৰতি শান্তিৰ পৰিৱেশে বিৰাজ কৰিছে আৰু কোনো কাৰণতে এই পৰিৱেশ বিঘ্নিত কৰাটো উচিত নহয়। এনেক্ষেত্ৰত কোনো লোকে আইন ভংগ কৰি বিশৃংখল পৰিৱেশৰ সৃষ্টি

কৰিলে অসম আৰক্ষীয়ে কঠোৰ ব্যৱস্থা ল'ব বুলি তেওঁ উল্লেখ কৰে। এইক্ষেত্ৰত কোনো লোকৰ কিবা অভিযোগ থাকিলে সেয়া চৰকাৰক অৱগত কৰিবলৈ তেওঁ আহ্বান জনায়।

০০০০০

ভাৰত আৰু মালয়েছিয়াই শ্ৰম আৰু নিয়োগ, আয়ুৰ্বেদ আৰু পাৰম্পৰিক ঔষধ, ডিজিটেল প্ৰযুক্তি, সংস্কৃতি, পৰ্যটন তথা যুৱ আৰু ক্ৰীড়াৰ দিশত সহযোগিতাৰ ক্ষেত্ৰত কেইবাখনো চুক্তি স্বাক্ষৰ কৰিছে। দুয়োখন দেশে লগতে ৰাজহুৱা প্ৰশাসন, শাসন ব্যৱস্থাৰ সংস্কাৰ আৰু পাৰম্পৰিক সহযোগিতাৰ ক্ষেত্ৰতো চুক্তি স্বাক্ষৰ কৰে। নতুন দিল্লীত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ বিন ইব্ৰাহিমৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হোৱাৰ পাছতে এই চুক্তিসমূহ স্বাক্ষৰিত হয়। অনুষ্ঠানৰ পাছত আয়োজিত যুটীয়া সংবাদ মেলত শ্ৰীমোদীয়ে কয় যে ভাৰত আৰু মালয়েছিয়াই দুয়োখন দেশৰ মাজত থকা সৰ্বাত্মক কৌশলগত সহযোগিতাক বৰ্ধিত কৌশলগত সহযোগিতালৈ উত্তৰণ ঘটোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত দুয়োখন দেশে পাৰম্পৰিক সহযোগিতাৰ সকলোবোৰ ক্ষেত্ৰক সামৰি আলোচনা কৰিছে আৰু দুয়ো দেশৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ দিশত প্ৰচুৰ সম্ভাৱনা আছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা অনুসৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত ৭ কোটি ৩০ লাখ ইণ্টাৰনেট গ্ৰাহক আৰু ৭ কোটি ৭০ লাখ ব্ৰ'ডবেণ্ড সেৱাৰ গ্ৰাহক সংযুক্ত হৈছে। যোগাযোগ মন্ত্ৰালয়ৰ মতে এই সময়ছোৱাত ৮৮ কোটিৰ পৰা ৯৫ কোটিৰো অধিক গ্ৰাহকে ইণ্টাৰনেটৰ সেৱা লাভ কৰিছে। এই বিত্তীয় বৰ্ষত ভাৰতীয় টেলিকম খণ্ডতো উল্লেখযোগ্য উন্নয়ন হৈছে। ভাৰতীয় টেলিকম নিয়ন্ত্ৰণ প্ৰাধিকৰণৰ বাৰ্ষিক প্ৰতিবেদন অনুসৰি দেশত টেলিফোন গ্ৰাহকৰ সংখ্যা যোৱা বছৰৰ মাৰ্চ মাহৰ শেষৰ পৰা এই বৰ্ষৰ মাৰ্চ মাহৰ শেষলৈ ১১৭ কোটিৰ পৰা ১২০ কোটিলৈ বৃদ্ধি হৈছে।

০০০০০

শিৱসাগৰত এগৰাকী যুৱতীক প্ৰহাৰ কৰা ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতিৰ পাছত আজি শিৱসাগৰ যুৱ দ'লত জিলাখনৰ ৩০টা জনগোষ্ঠী সংগঠনৰ সৈতে জিলাখনৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু এখন বৈঠকত মিলিত হয়। সদৌ টাই আহোম ছাত্ৰ সন্থা, বীৰ লাচিত সেনা, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদকে ধৰি ৩০টা দল-সংগঠনৰ সৈতে হোৱা বৈঠকত মন্ত্ৰীগৰাকীয়ে এই বিষয়টো অসম চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰা বুলি মন্তব্য কৰে। মন্ত্ৰী পেগুৱে বৈঠকৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত জনগোষ্ঠীয় সংগঠনসমূহে খিলঞ্জীয়া ভূমিৰ অধিকাৰকে ধৰি বিভিন্ন বিষয়ত উত্থাপন কৰা দাবীসমূহ চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি জানিবলৈ দিয়ে। জিলাখনৰ

আয়ুক্ত আদিত্য বিক্ৰম যাদৱ, আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাকে ধৰি শীৰ্ষ প্ৰশাসনিক বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত জিলাখনত অসমীয়া আৰু একাংশ অনা-অসমীয়া ব্যৱসায়ী সমাজৰ মাজত হোৱা সংঘাতময় পৰিস্থিতিৰ অৱসান ঘটোৱাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়। উল্লেখযোগ্য যে যোৱা ১৩ আগষ্টত শিৱসাগৰ নগৰৰ বাবুপট্টিত এগৰাকী যুৱতীক তিনিজন ব্যৱসায়ীয়ে প্ৰহাৰ কৰাক লৈ এই সংঘাতময় পৰিস্থিতিৰ সূচনা হৈছিল।

00000

প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীৰ জয়ন্তী উপলক্ষে আজি দেশজুৰি শ্ৰদ্ধা নিবেদন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জয়ন্তীত শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ ৮০ সংখ্যক জয়ন্তী উপলক্ষে আজি কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই তেওঁক স্মৰণ কৰাৰ লগতে সামাজিক মাধ্যমযোগে শ্ৰদ্ধা নিবেদন কৰে। এক্স হেণ্ডেলত শ্ৰীখাৰ্গেই প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধা জনাই তেওঁ কয় যে প্ৰয়াত গান্ধীয়ে অভূতপূৰ্ব অৱদানেৰে ভাৰতক একবিংশ শতিকালৈ আগবঢ়াই লৈ গ'ল। লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে আজি প্ৰয়াত গান্ধীৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমযোগে তেওঁ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক কৰুণাময় ব্যক্তিত্ব, সৌহাৰ্দ্য আৰু সম্ভাৱনাৰ প্ৰতীক বুলি অভিহিত কৰে।

আজি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জন্মদিন সদ্ভাৱনা দিৱস উপলক্ষে লোকসভাত বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে তেওঁৰ স্মৃতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভাৰতে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক এখন সৰ্বাত্মক ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত সমৰ্পিত মনোভাৱৰ বাবে সদায়েই স্মৰণ কৰিব বুলি উল্লেখ কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে অহা ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয়

আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ে চিকিৎসাকৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন বিচাৰপীঠে আজি কলকাতাৰ এখন চিকিৎসালয়ৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ শুনানি গ্ৰহণ কৰি কাৰ্যবাহিনীটোক তিনি সপ্তাহৰ ভিতৰত অন্তৰ্বৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে ন্যায়ালয়ে মহিলাসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে সমগ্ৰ দেশত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বাবে দেশৰ সকলো চিকিৎসকক লৈ এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। সমগ্ৰ দেশত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ কামৰ অসুৰক্ষিত বাতাবৰণক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ন্যায়ালয়ে কয় যে বৰ্তমানৰ আইনে চিকিৎসকসকলৰ আনুষ্ঠানিক সুৰক্ষাৰ বিষয়টো পৰ্যাপ্তভাৱে সমাধান নকৰে। ন্যায়ালয়ে কয় যে প্ৰণালীগত বিষয়সমূহ সমাধানৰ উদ্দেশ্যে ই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ বিষয়টো সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ সৈতে সংগতি ৰাখি কোকৰাঝাৰ জিলাৰ তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰটো আজি মুকলি কৰা হয়। ৪ বছৰ ধৰি বিকল হৈ থকা কেন্দ্ৰটো বিধায়ক লৰেন্স ইছলাৰীয়ে উদ্বোধন কৰে। এতিয়াৰে পৰা বড়োলেণ্ডৰ ছাত্ৰ-ছাত্ৰীসকলে সহজে সৌৰজগত তাৰকামণ্ডলসহ জ্যোতিৰ্বিজ্ঞানৰ তথ্যসমূহ লাভ কৰিব। উল্লেখযোগ্য যে ২০২০ চনৰ ১০ ফ্ৰেব্ৰুৱাৰীত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰটো উদ্বোধন কৰিছিল। উদ্বোধনৰ কিছুদিন পাছতেই কৰ'ণা মহামাৰীৰ বাবে কেন্দ্ৰটো বন্ধ হৈ পৰিছিল। ইয়াৰ পাছতে প্ৰধান প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰ চৰকাৰে কেন্দ্ৰটো পুনৰুজ্জীৱিত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰে।

০০০০০

ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি মাজুলী জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত কমলাবাৰীৰ বিবেকানন্দ কেন্দ্ৰত ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰংগ আলাপ আৰু কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। মাজুলী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক লিপিকা বুঢ়াগোঁহাইয়ে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আনহাতে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ সহযোগী অধ্যাপক

ড০ ৰাজীৱ শইকীয়া আৰু জেংৰাইমুখ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ৰুমাজ্যোতি হাজৰিকাই ছাত্ৰ-ছাত্ৰীৰ সৈতে অন্তৰংগ আলাপত অংশ লয়।

০০০০০

মিছিং স্বায়ত্তশাসিত পৰিষদৰ সাধাৰণ পৰিষদীয় সমষ্টিসমূহৰ ক্ষেত্ৰীয় পৰিসীমা নিৰ্ধাৰণৰ বাবে ধেমাজি জিলাৰ আয়ুক্তই জাননীযোগে ৪০টা সাধাৰণ পৰিষদীয় সমষ্টি পুনৰ নিৰ্ধাৰণৰ খচৰা প্ৰকাশ কৰিছে। জাননী অনুসৰি অহা ১৬ ছেপ্তেম্বৰৰ ভিতৰত সংশ্লিষ্ট পক্ষসমূহে খচৰা সন্দৰ্ভত ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। তিনিচুকীয়া সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প সঞ্চালকক দাবী আৰু আপত্তি নিষ্পত্তিকৰণত সহায়ৰ বাবে ডেজিগনেটেড জিলা বিষয়া হিচাপে মনোনীত কৰা হৈছে। সেই অনুসৰি প্ৰকাশিত খচৰাৰ ৩৬ নম্বৰ শদিয়া সমষ্টিৰ ক্ষেত্ৰত দাবী বা ওজৰ-আপত্তি থাকিলে সংশ্লিষ্ট পক্ষই তেওঁৰ কাৰ্যালয়ত যোগাযোগ কৰিবৰ বাবে আহ্বান জনোৱা হৈছে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি কৰিমগঞ্জ জিলাৰ কেইবাটাও স্থান পৰিদৰ্শন চৰকাৰী আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। খণ্ড উন্নয়ন পৰ্যায়ৰ এখন সভাত উপস্থিত থাকি তেওঁ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা, পঞ্চদশ বিত্তীয় বৰ্ষ, ৰেচন কাৰ্ড, এম জি এনৰেগাকে ধৰি বিভিন্ন কাম-কাজৰ পৰ্যবেক্ষণ কৰে। ৰাতাবাৰী সমষ্টিৰ অন্তৰ্গত ৰাজনগৰ গাঁৱত এম জি এনৰেগা প্ৰকল্পৰ অধীনৰ নিৰ্মিত পথৰ কাম পৰিদৰ্শন কৰি তেওঁ স্থানীয় লোকৰ সৈতে মত বিনিময় কৰে।

০০০০০

কোকৰাঝাৰত হ'বলগীয়া উপ নিৰ্বাচনৰ বাবে কংগ্ৰেছ দলে ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে। উপ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি পৰ্বতঝৰা সমষ্টিৰ অন্তৰ্গত তুলসীবিল কংগ্ৰেছ কাৰ্যালয়ত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাৰ নিৰ্দেশত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাখনত দলীয় ভেটি শক্তিশালী কৰা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০

ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে ৰাজ্যৰ নগৰাঞ্চলৰ সুপৰিকল্পিত আৰু দ্ৰুত বিকাশৰ বাবে দহ চহৰ এক ৰূপায়ণ শীৰ্ষক বিশেষ পদক্ষেপ লৈছে। এই সন্দৰ্ভত আজি যোৰহাট জিলাৰ আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই সভাত নগৰখনৰ উপযুক্ত পৰিকল্পনা, গোটা আৱৰ্জনা ব্যৱস্থাপনা, বিশুদ্ধ আৰু নিয়মীয়া পানী যোগান, ৰাজহুৱা আন্তঃগাঁথনি, যান-বাহন ব্যৱস্থাপনা আদি সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ প্ৰতিনিধিয়ে দহ চহৰ এক ৰূপায়ণ প্ৰকল্প সম্পৰ্কে বিতংভাৱে অৱগত কৰে।

০০০০০

যোৱা নিশাৰে পৰা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰীৰ ভালেমান অঞ্চল বানত বুৰ গৈছে। গুৱাহাটী মহানগৰীৰ হাতীগাঁও, ৰুক্মিনীগাঁও, পাঞ্জাবাৰী, নবীন নগৰ, অনিল নগৰ, চানমাৰি আদি অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। একেদৰে যোৰাবাটত হোৱা কৃত্ৰিম বানৰ ফলত যাতায়াতৰ ক্ষেত্ৰত জনসাধাৰণৰ ভীষণ সমস্যাৰ সৃষ্টি হৈছে। মাজ নিশাৰে পৰা হৈ থকা বৰষুণৰ পাছতে যোৰাবাটৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কৃত্ৰিম বানৰ সৃষ্টি হয়।

ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী দুদিনত উত্তৰ-পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে এই সময়ছোৱাত বাংলাদেশৰ মধ্য ভাগত সৃষ্টি হোৱা নিম্নচাপৰ প্ৰভাৱত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০

ৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ধৰ্মপুৰ-সুখোৱাৰত ব্ৰহ্মপুত্ৰ খহনীয়াই অঞ্চলবাসীৰ বাসগৃহ আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। খহনীয়াৰ ফলত বহু পৰিয়ালৰ বাসগৃহ নদীৰ বুকুত জাহ গৈছে। ইয়াৰ উপৰি অঞ্চলটোৰ কেইবাখনো শিক্ষানুষ্ঠান, অংগনবাড়ী কেন্দ্ৰ আৰু ধৰ্মপুৰ উপ-স্বাস্থ্য কেন্দ্ৰ নদীৰ বুকুত জাহ গৈছে। ইয়াৰ ফলত অঞ্চলটোৰ ২০ সহস্ৰাধিক পৰিয়াল চিকিৎসা সেৱাৰ পৰা বঞ্চিত হৈছে। স্থানীয় ৰাইজে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক আহ্বান জনাইছে।

০০০০০

লখিমপুৰ জিলাৰ আয়ুক্ত আৰু জিলা কৃষি বিষয়াৰ নেতৃত্বত কৃষি বিভাগৰ এটা উচ্চস্তৰীয় দলে আজি জিলাখনত চলি থকা কৃষি বিভাগৰ আঁচনিসমূহ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। তেওঁলোকে আঁচনিসমূহৰ ৰূপায়ণৰ বুজ ল'বলৈ বগী নদী কৃষি চক্ৰ আৰু ছাবতি কৃষি চক্ৰৰ কেইবাটাও অঞ্চল পৰিদৰ্শন কৰে। তেওঁলোকে সামূহিক কঠিয়াতলী আঁচনিৰ অধীনত বানবিধ্বস্ত অঞ্চলত কৃষকক প্ৰদান কৰা ধানৰ সঁচ পৰীক্ষা কৰে। তেওঁলোকে লগতে বগী নদী বকুলবাৰী গাঁৱত ৰাষ্ট্ৰীয় খোৱাতেল অভিযানৰ অধীনত ৰোপণ কৰা তৈল খেজুৰৰ পুলিসমূহ পৰিদৰ্শন কৰে।

০০০০০

সমাপ্ত